**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-04-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। পশ্চিমবংগত প্ৰথম পৰ্যায়ৰ লগতে তামিলনাডুৰ একক পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অব্যাহত আছে। দিনৰ ১ বজালৈ পশ্চিমবংগত ৬২ দশমিক ১ - ৮ আৰু তামিলনাডুত ৫৬ দশমিক ৮ - ১ শতাংশ ভোটদান হৈছে।

২। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশৰ সামুদ্ৰিক খণ্ড বিগত ১২ বছৰত বিকাশৰ চালিকা শক্তিলৈ ৰূপান্তৰ হোৱা বুলি প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ্ ইৰ দশম শ্ৰেণীৰ পৰীক্ষা, ২০২৬-ৰ দ্বিতীয় পৰ্যায় ১৫ মে’ৰ পৰা অনুষ্ঠিত হ’ব।

৪। উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰত সংঘটিত এটা পথ দুৰ্ঘটনাত ৪ টি শিশুকে ধৰি ১১ জন লোকৰ মৃত্যু হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইত হ’বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

0000000

পশ্চিমবংগ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ চলি আছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। প্ৰথম পৰ্যায়ত ১৬ খন জিলাৰ ১৫২ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। জিলাসমূহ হৈছে— দাৰ্জিলিং, কালিম্পং, জলপাইগুৰি, আলিপুৰদুৱাৰ, কোচবিহাৰ, উত্তৰ আৰু দক্ষিণ ডিনাজপুৰ, মালডা, মুৰ্শ্বিদাবাদ, বীৰভুম, পশ্চিম বৰ্ধমান, পুৰুলীয়া, বানকুৰা, ঝাৰগ্ৰাম, পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ। এই পৰ্যায়ৰ নিৰ্বাচনত এহেজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ১৫২টা সমষ্টিত ৪৪ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ৭ হাজাৰ ৩৮৪ অতি স্পৰ্শকাতৰ নাইবা জটিল বুলি চিনাক্ত কৰা হৈছে। ভোট কেন্দ্ৰসমূহৰ ভিতৰত ৫ হাজাৰ ৪৪৪টা ভোটকেন্দ্ৰ মহিলাই পৰিচালনা কৰিছে। ৰাজ্যখনত ৩ কোটি ৬০ লাখৰো অধিক ভোটদাতাই আজি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে।

নিৰ্বাচন আয়োগে এই ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ দুহেজাৰ ৪০৭টা কোম্পানীৰ ২ লাখ ৪০ হাজাৰৰো অধিক জোৱান নিয়োগ কৰিছে। তদুপৰি দ্ৰুত সঁহাৰি দলো ভোটকেন্দ্ৰসমূহত নিয়োগ কৰা হৈছে। ভোটগ্ৰহণৰ সময়ছোৱাত যিকোনো ওজৰ-আপত্তিৰ বাবে আয়োগে ১৮০০৩-৪৫০০০৮ টোল ফ্ৰি নম্বৰ আৰু ই-মেইল আইডি মুকলি কৰিছে। আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে ভোটদাতাসকলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা ৰখা হৈছে। ভোট কেন্দ্ৰসমূহৰ বাহিৰত মোবাইল ফোন ৰখাৰ ব্যৱস্থা কৰা হৈছে।

নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰাজ্যখনত দিনৰ ১ বজালৈ ৬২ দশমিক ১ - ৮ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে।

oooooooo

তামিলনাডু বিধানসভাৰ ২৩৪ খন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ অন্ত পৰিব। অৱশ্যে ৬ বজাৰ পূৰ্বে শাৰীত থিয় হৈ থকা ভোটদাতাসকলক নিৰ্ধাৰিত সময়ৰ পাছতো ভোটদান কৰিবলৈ দিয়া হ'ব। আজিৰ ভোটগ্ৰহণত ৫ কোটি ৭৩ লাখৰো অধিক ভোটদাতাই ৪ হাজাৰ ২৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰাজ্যখনত দিনৰ ১ বজালৈ ৫৬ দশমিক ৮ - ১ শতাংশ ভোটদান হৈছে।

ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া অৰ্চনা পাটনায়েকে প্ৰকাশ কৰা মতে ভোটগ্ৰহণ শান্তিপূৰ্ণ, সুশৃংখল আৰু নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনত ৭৫ হাজাৰৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তোলাৰ বাবে কমেও ৮৪ হাজাৰ আৰক্ষীৰ লোক নিয়োগ কৰাৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু চি আৰ পি এফৰ ৩০০টা কোম্পানী নিয়োগ কৰা হৈছে।

oooooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশৰ সামুদ্ৰিক খণ্ড বিগত ১২ বছৰত বিকাশৰ চালিকা শক্তিলৈ ৰূপান্তৰ হোৱা বুলি প্ৰকাশ কৰিছে। শ্ৰী সোণোৱালে আজি সামাজিক মাধ্যমযোগে সামুদ্ৰিক খণ্ড উত্থানৰ বিষয়ে আলোকপাত কৰি কয়, যে দেশে সাগৰমালা প্ৰকল্পৰ জৰিয়তে ঐতিহাসিক সাফল্য অৰ্জন কৰিছে। তেওঁ কয়, যে অভ্যন্তৰীণ জলপথেৰে সৰবৰাহ কৰা সামগ্ৰীৰ পৰিমাণ ৭ গুণ বৃদ্ধি পাইছে আৰু যোৱা বিত্তীয় বছৰত অভিলেখ পৰিমাণৰ ৯১৫ মেট্ৰিকটন সামগ্ৰী পৰিবহণ কৰা হৈছে। দেশৰ সামুদ্ৰিক যাত্ৰাই আন্তঃগাঁথনি নিৰ্মাণৰ পৰা অনুকুল তন্ত্ৰৰ বিকাশলৈ হোৱা ৰূপান্তৰৰ কথাকে প্ৰতিফলিত কৰে বুলি তেওঁ মন্তব্য কৰে। শ্ৰী সোণোৱালে কয়, যে পৰিসৰ, দক্ষতা আৰু অন্তৰ্ভুক্তিৰ সমাহাৰেৰে খণ্ডটোৱে বাণিজ্যত গতি প্ৰদান কৰিছে আৰু ইয়াৰ ফলত কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি হৈছে আৰু যোগাযোগ ব্যৱস্থা সুদৃঢ় হৈছে।

ooooooooo

সমগ্ৰ বিশ্বই জটিল ভূ-ৰাজনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সময়ত ভাৰত-আফ্ৰিকা অংশীদাৰিত্বই বিশেষ গুৰুত্ব বহন কৰিছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। তেওঁ কয় যে ভাৰতৰ বিদেশ নীতিত বৰ্তমান আফ্ৰিকাই বিশেষ গুৰুত্ব লাভ কৰিছে আৰু ভাৰতে আফ্ৰিকাত কূটনৈতিক প্ৰভাৱ বিস্তাৰ কৰিছে। নতুন দিল্লীত আজি ভাৰত-আফ্ৰিকা শীৰ্ষ সন্মিলনৰ ল'গ', বিষয়বস্তু আৰু ৱেবছাইট আনুষ্ঠানিকভাৱে মুকলি কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। উল্লেখযোগ্য যে নতুন দিল্লীত অহা ২৮ মে'ৰ পৰা ৩১ মে'লৈ এই শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। আজি এই শীৰ্ষ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ ড০ জয়শংকৰে কয় যে আফ্ৰিকা মহাদেশত ১৭ টা নতুন কূটনৈতিক অভিযানকে ধৰি মুঠ ৪৬ টা অভিযান আৰম্ভ কৰা হৈছে। ইয়ে আফ্ৰিকাৰ প্ৰতিটো খণ্ডৰ সৈতে ভাৰতৰ দীৰ্ঘদিনীয়া প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে আফ্ৰিকাৰ দেশসমূহ হৈছে ভাৰত নেতৃত্বাধীন গোলকীয় পদক্ষেপৰ মুখ্য অংশীদাৰ। তেওঁ লগতে উল্লেখ কৰে যে ভাৰত

হৈছে আফ্ৰিকাৰ সৰ্ববৃহৎ বাণিজ্য অংশীদাৰ আৰু দ্বিপাক্ষিক বিনিয়োগকাৰী দেশসমূহৰ অন্যতম। ডঃ জয়শংকৰে ভাৰতে গোলকীয় প্ৰশাসনত আফ্ৰিকাৰ স্থানক লৈ নিৰন্তৰ সমৰ্থন দি অহাৰ কথাও উল্লেখ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ্ ইৰ দশম শ্ৰেণীৰ পৰীক্ষা, ২০২৬-ৰ দ্বিতীয় পৰ্যায় ১৫ মে'ৰ পৰা অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ৰ ফলাফল উন্নত কৰিব বিচৰা শিক্ষাৰ্থীসকলে এই পৰীক্ষা দিব পাৰিব। প্ৰথম পৰ্যায়ত উত্তীৰ্ণ সকলো বিদ্যাৰ্থীকে বিজ্ঞান, গণিত, সমাজ বিজ্ঞান আৰু ভাষাৰ ভিতৰৰ যিকোনো তিনিটা বিষয়ৰ ফলাফল উন্নত কৰাৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। উল্লেখযোগ্য যে চি বি এছ্ ইয়ে যোৱা ১৫ এপ্ৰিলত দশম শ্ৰেণীৰ ফলাফল ঘোষণা কৰিছিল।

০০০০০০০০০

উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰৰ দ্ৰামাণ্ডগঞ্জ এলেকাত যোৱা নিশা সংঘটিত এটা পথ দূৰ্ঘটনাত ৪ টি শিশুকে ধৰি ১১ জন লোকৰ মৃত্যু হয়। পাহাৰীয়া পথত এখন ট্ৰাক, এখন ট্ৰেইলাৰ আৰু দুখন চাৰিচকীয়া বাহনৰ মাজত এই দূৰ্ঘটনা সংঘটিত হয়। মিৰ্জাপুৰৰ আৰক্ষী অধিক্ষক অপৰ্ণা ৰজত কৌশিকে সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে দূৰ্ঘটনাত নিহত ৭ জন লোক এছ্ ইউ ভি বাহনখনত যাত্ৰা কৰিছিল। দূৰ্ঘটনাৰ পাছতে তেওঁলোকৰ বাহনখনত অগ্নি সংযোগ হয় আৰু আটাইকেইজনে মৃত্যুমুখত পৰে। ঘটনাত আনখন চাৰিচকীয়া বাহন আৰু ট্ৰাকৰ চালক দুজনৰ মৃত্যু হয়। আৰক্ষীয়ে জনোৱা মতে পাহাৰৰ উপৰলৈ উঠি অহা ট্ৰাকখনে নিয়ন্ত্ৰন হেৰুৱাই দুখন বাহন আৰু পথৰ দাঁতিত ৰখাই থোৱা এখন ট্ৰেইলাৰক খুন্দা মৰাৰ ফলত এই দূৰ্ঘটনা সংঘটিত হয়। আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মিৰ্জাপুৰৰ দূৰ্ঘটনাক লৈ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে তেওঁলোকে আহতসকলৰ আশু-আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে দূৰ্ঘটনাত প্ৰাণ হেৰুওৱা সকলৰ নিকতাত্মীয়লৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকললৈ ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও কাইলৈৰ ভিতৰত নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

বিজেপিৰ মুখপাত্ৰ শ্বাহনৱাজ হুছেইনে আজি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই শেহতীয়াকৈ চেন্নাইত অপমানজনক মন্তব্য কৰাৰ বাবে কংগ্ৰেছে ইয়াৰ পৰিণাম

ভূগিব লাগিব। তেওঁ কয় যে শ্ৰীখাৰ্গেৰ মন্তব্যই কেৱল প্ৰধানমন্ত্ৰীকে নহয় বৰঞ্চ সমগ্ৰ দেশক অপমানিত কৰিছে। নিৰ্বাচন আয়োগে শ্ৰীখাৰ্গেলৈ এই বিষয়ত এখন জাননী জাৰি কৰিছে বুলি উল্লেখ কৰি মুখপাত্ৰগৰাকীয়ে আয়োগক কংগ্ৰেছৰ সভাপতিগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌৰ একনা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৪০ ৰানত পৰাস্ত কৰে।

০০০০০০০০

সমাপ্ত